# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**নং ঃ ১৪১/২০২০**

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ব্যক্তিয়ে আগবঢ়ালে বৰঙনি

**দিছপুৰ, ৩০ মাৰ্চ ঃ** কভিড -১৯ এ সৃষ্টি কৰা জটিল পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজি তথা অসম আৰোগ্য নিধিলৈ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তিয়ে বৰঙনি আগবঢ়াই আছে। ইয়াৰ ভিতৰত ৰয়েল গ্ৰুপৰ অধ্যক্ষ ড° এ কে পান্ছাৰিয়ে আজি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালক জনতা ভৱনস্থিত মুখ্যমন্ত্ৰীৰ কাৰ্যালয় কক্ষত সাক্ষাৎ কৰি বিভিন্ন শিতানত ১ কোটি টকাৰ বৰঙনি আগবঢ়ায়। এই ১ কোটি টকাৰ ভিতৰত মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৪০ লাখ টকা, অসম আৰোগ্য নিধিলৈ ২৫ লাখ টকা, ‘প্ৰধানমন্ত্ৰী কেয়াৰ’ পুঁজিলৈ ২৫ লাখ টকা আৰু এই লক্ ডাউনৰ সময়ছোৱাত দৰিদ্ৰ জনসাধাৰণক খাদ্য-সামগ্ৰী প্ৰদানৰ দিশত সহায়ক হোৱাকৈ ১০ লাখ টকা প্ৰদান কৰা হৈছে। তদুপৰি মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰীৰ ৰঞ্জিত দত্তই ১.৫০ লাখ টকা, চাহ জনজাতি কল্যাণ বিভাগৰ মন্ত্ৰী সঞ্জয় কিষাণে ১.৫০ লাখ টকা, বিধায়ক সুৰেন ফুকনে ১.৫০ লাখ টকা, সাংসদ বিশ্বজিৎ দৈমাৰীয়ে ১.১১ লাখ টকা, বিধায়ক তেৰছ গোৱালাই ৮০ হাজাৰ টকা আগবঢ়াইছে। ইয়াৰ উপৰি অসম আৰোগ্য নিধিলৈ বিধায়ক প্ৰশান্ত ফুকনে ১ লাখ টকা, হাউলী ৰাস মহোৎসৱ উদ্‌যাপন সমিতিয়ে ৫ লাখ টকা, সুন্দৰীদিয়া সত্ৰ পৰিচালনা সমিতিয়ে ৫১ হাজাৰ টকা, অসীম হাজৰিকাই ১ লাখ টকা, এন আৰ এইচ এম কৰ্মচাৰী সন্থাই ৫০ হাজাৰ টকা, আছাম কোম্পানী ইণ্ডিয়া লিমিটেডে ১ লাখ টকা, ইন্দ্ৰধনু এণ্টাৰপ্ৰাইজে ৫০ হাজাৰ টকা বৰঙনি আগবঢ়াইছে। ইয়াৰ উপৰি বিভিন্ন ব্যক্তি তথা অনুষ্ঠান-প্ৰতিষ্ঠানে অনলাইনযোগেও বৰঙনি আগবঢ়াই আছে।

**বঃভাঃ / প্ৰঃকুঃবঃ**
**৩০/৩/২০২০**